জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৬/২০২২

# নাহৰকটীয়া ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত নামছাং আদৰ্শ গাঁও, অংগনৱাড়ী কেন্দ্ৰ তথা নামছাং চাহ বাগিচাত নলযোগে পানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## চাচনি মেৰবিল পৰিৱেশ পৰ্যটন প্ৰকল্পৰ নৱনিৰ্মিত অতিথিশালা আনুষ্ঠানিকভাৱে শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত আয়োজিত এক অনুষ্ঠানত নাহৰকটীয়া ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত নিৰ্মাণ হ'বলগীয়া নামছাং আদৰ্শ গাঁও আৰু এই আদৰ্শ গাঁৱতে স্থাপন হ'বলগীয়া অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে নামছাং চাহ বাগিচাত নলযোগে পানী যোগান আঁচনিৰো আধাৰশিলা স্থাপনেৰে ইয়াৰ কাম-কাজৰ শুভাৰম্ভ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰায় ১০ কোটি টকা ব্যয় সাপেক্ষে ৯ বিঘা ভূমিত নিৰ্মাণ হ'বলগীয়া ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিলে চাহ বাগিচাকে ধৰি অঞ্চলটোৰ যুৱ প্ৰজন্মই দক্ষতা বৃদ্ধিৰ সুযোগ লাভ কৰিব। এই দক্ষতাসম্পন্ন যুৱক-যুৱতীসকলে বিভিন্ন ঔদ্যোগিক খণ্ডত নিয়োগৰো সুবিধা লাভ কৰিব পাৰিব বুলি তেওঁ কয়। অঞ্চলটোৰ উন্নয়নক এক নতুন মাত্ৰা সংযোজনৰ বাবে মৰাণৰ পৰা ডিগবৈলৈ যোৱা পথছোৱা অসম মালা আঁচনিৰ অধীনত ৫২৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে এই পথছোৱাৰ বাবে ইতিমধ্যে নিবিদা আহ্বান কৰা হৈছে আৰু অতি শীঘ্ৰে ইয়াৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰা হ'ব। পথ যোগাযোগ ব্যৱস্থা অধিক শক্তিশালীকৰণৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নামৰূপৰ পৰা দুলীয়াজানলৈ থকা বৰ্তমানৰ পথছোৱা ১১৯ কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰা হ'ব। এই দুয়োটা প্ৰকল্পৰ কাম আগন্তুক দুই বছৰৰ ভিতৰত সম্পূৰ্ণ কৰি তোলা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত আঁচনিৰে বৰ্তমানে নিৰ্মাণৰত নাহৰকটীয়া হাস্পতালখন এক উন্নত মানদণ্ডৰ চিকিৎসালয় হিচাপে গঢ়ি তোলা হ'ব। তেওঁ লগতে কয় যে নামৰূপ ফাৰ্টিলাইজাৰ

হাস্পতালখন নৱীকৰণেৰে অতি কম সময়ৰ ভিতৰতে জনগণৰ সেৱাৰ বাবে উৎসৰ্গা কৰা হ'ব। এই হাস্পতালখনৰ পুনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে সাৰ নগৰী নামৰূপৰ জনসাধাৰণৰ লগতে ইয়াৰ সমীপৱৰ্তী এলেকাৰ জনসাধাৰণে উৎকৃষ্ট চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে বুঢ়ীদিহিং নদীৰ পৰা হোৱা বানপানীৰ কবলৰ পৰা জনসাধাৰণক সকাহ দিয়াৰ উদ্দেশ্যৰে ১১৪ কোটি টকা ব্যয় সাপেক্ষে এটা শক্তিশালী মথাউৰি নিৰ্মাণ কৰা হ'ব। এই মথাউৰি নিৰ্মাণৰ কাম অতি শীঘ্ৰে আৰম্ভ হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ভাদৈ পাঁচআলিৰ পৰা জয়পুৰলৈ যোৱা পথছোৱাও অতি সোনকালে নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে নাহৰকটীয়া সমষ্টিত অৰুণোদয় আঁচনিৰ অধীনত আৰু ৫ হাজাৰ মহিলাক সামৰি লোৱা হ'ব।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰলিয়াম দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, পৰ্যটন, শক্তি, সাংস্কৃতিক পৰিক্ৰমা, ক্ৰীড়া আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈ প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে চাচনি মেৰবিল পৰিৱেশ পৰ্যটন প্ৰকল্পৰ নৱনিৰ্মিত অতিথিশালা আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। উল্লেখ্য যে এই অতিথিশালা অসম পৰ্যটন উন্নয়ন নিগমৰ উদ্যোগত নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগ, অইল ইণ্ডিয়া লিমিটেড আৰু স্থানীয় জনসাধাৰণৰ বিশেষ উদ্যোগত চাচনি মেৰবিল পৰিৱেশ পৰ্যটন প্ৰকল্পই ইতিমধ্যে নতুন ৰূপ পাইছে। অনাগত দিনত ইয়াৰ দৃশ্যপট আৰু অধিক উন্নত হ'ব। এই প্ৰকল্প সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে এক উল্লেখযোগ্য পৰ্যটন প্ৰকল্প হিচাপে অচিৰেই বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰলিয়াম দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, পৰ্যটন, শক্তি, সাংস্কৃতিক পৰিক্ৰমা, ক্ৰীড়া আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈ, বিধায়ক তেৰচ গোৱালা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপু ৰঞ্জন মাক্ৰাৰীকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে এই উপলক্ষে আয়োজিত এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানো উপভোগ কৰে।

**বঃভাঃ**
**২৭-২-২০২২**